**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যসভাত প্ৰকাশ কৰে।

২। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সৈতে জড়িত দাবী মঞ্জুৰী সন্দৰ্ভত লোকসভাত আলোচনা অনুষ্ঠিত হয়।

৩। দেশত প্ৰায় ১০ হাজাৰ জৈৱ প্ৰযুক্তি ষ্টাৰ্টআপে প্ৰায় ১৬৫ বিলিয়ন ডলাৰৰ জৈৱ অৰ্থব্যৱস্থালৈ বৰঙণি আগবঢ়াইছে।

৪। শক্তিশালী দ্বিপাক্ষিক অংশীদাৰিত্বৰ উপৰিও চৰকাৰে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰিবলৈ বিভিন্ন বৈদেশিক নীতি গ্ৰহণ কৰিছে।

*আৰু*

৫। আমেৰিকাৰ পৰা ভাৰতলৈ বিতাড়িত ভাৰতীয়সকলৰ ক্ষেত্ৰত আমেৰিকা প্ৰশাসনে কৰা অমানৱীয় ব্যৱহাৰ সন্দৰ্ভত ভাৰতে আমেৰিকান কৰ্তৃপক্ষৰ আগত নিজৰ উদ্বেগ প্ৰকাশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। পূৰ্বৰ এন ডি এ চৰকাৰৰ শাসন কালৰ তুলনাত জম্মু-কাশ্মীৰত বৰ্তমান সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলত মৃত্যুৰ সংখ্যা ৭০ শতাংশ কম হৈছে। ৰাজ্যসভাত হোৱা এটা আলোচনাত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই কথা প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে বিগত এটা দশকত চৰকাৰে ৰাজনৈতিক সদিচ্ছা আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে দেশৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি গঢ়ি তুলিছে। জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদ, বাওঁ শিবিৰৰ উগ্ৰবাদ আৰু উত্তৰ-পূবৰ উগ্ৰপন্থীৰ সমস্যা - দেশে পূৰ্বতে এই তিনিটা মুখ্য প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। তেওঁ কয় যে এই তিনিটা প্ৰত্যাহ্বান চৰকাৰে কঠোৰ হাতেৰে মোকাবিলা কৰিছে। জম্মু-কাশ্মীৰত ৩৭০ নম্বৰ অনুচ্ছেদৰ অৱসান ঘটাই মোদী চৰকাৰে সংবিধান প্ৰণেতাসকলৰ **এখন সংবিধান, এখন পতাকা**ৰ সপোন পৰিপূৰ্ণ কৰিছে। পূৰ্বতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কোনো ফলপ্ৰসূ ব্যৱস্থা লোৱা হোৱা নাছিল আৰু জনসাধাৰণেও এই ঘটনা পাহৰি গৈছিল বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে উৰি আৰু পুলৱামাত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ১০ দিনৰ ভিতৰত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ছাৰ্জিকেল ষ্ট্ৰাইক আৰু এয়াৰ ষ্ট্ৰাইক গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অহা বৰ্ষৰ মাৰ্চৰ ভিতৰত দেশত নক্সালবাদীৰ সমস্যা অন্ত পৰিব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে নক্সাল অধ্যুষিত অঞ্চলত পথ যোগাযোগ বৃদ্ধি আৰু ইণ্টাৰনেট উপলব্ধ হোৱা

বাবে অঞ্চলসমূহ উন্নত হৈছে। এই অঞ্চলসমূহত নতুন নতুন বেংকৰ শাখা আৰু এটিএম মুকলি কৰা হৈছে। তেওঁ কয়যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ শাসনলৈ অহাৰ পাছতেই উত্তৰ-পূবৰ সকলো সশস্ত্ৰ গোটৰ সৈতে আনুষ্ঠানিক আলোচনাত মিলিত হৈছে। ২০১৯ চনৰ পৰা বৰ্তমানলৈ ১২খন শান্তি চুক্তিত স্বাক্ষৰিত হৈছে বুলিও তেওঁ উল্লেখ কৰে।

শ্ৰীশ্বাহে দেশৰ সীমা আৰু আভ্যন্তৰীণ নিৰাপত্তা শক্তিশালী কৰাৰ ক্ষেত্ৰত হাজাৰ হাজাৰ আৰক্ষী আৰু কেন্দ্ৰীয় পেৰা মিলিটেৰী বাহিনীৰ লোকসকলৰ সৰ্বোচ্চ ত্যাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে এটা আলোচনাত ভাগ লৈ বিজেপিৰ ড০ সুধাংশু ত্ৰিবেদীয়ে কয় যে গৃহ মন্ত্ৰালয়ে জম্মু-কাশ্মীৰত ৩৭০ নম্বৰ অনুচ্ছেদৰ বিলুপ্তি ঘটাই দেশত সঁচা অৰ্থত ধৰ্মনিৰপেক্ষতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। তেওঁ মহাকুম্ভ মেলাৰ সুশৃংখল আৰু নিয়াৰিকৈ আয়োজন কৰাৰ বাবে চৰকাৰৰ প্ৰশংসা কৰে। ড০ ত্ৰিবেদীয়ে জনসংখ্যা বৃদ্ধি প্ৰতিৰোধ বিধেয়কক সমৰ্থন জনাবলৈ বিৰোধীৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে কয় যে গৃহ মন্ত্ৰালয়ে মণিপুৰৰ হিংসাত্মক পৰিস্থিতিৰ অৱসান ঘটাবলৈ সংবেদনশীল ব্যৱস্থা গ্ৰহণ কৰিছে। কংগ্ৰেছৰ সাংসদ অজয় মাকেনে দিল্লীত মহিলা, শিশু আৰু জ্যেষ্ঠ নাগৰিকৰ ওপৰত ক্ৰমবৰ্দ্ধিত হাৰত সংঘটিত অপৰাধমূলক ঘটনা সন্দৰ্ভত প্ৰশ্ন তোলে। তেওঁ কয় যে দিল্লীত মহিলাৰ বিৰুদ্ধে সংঘটিত ৭৭ হাজাৰ গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে।

০০০০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সৈতে জড়িত দাবী মঞ্জুৰী সন্দৰ্ভত লোকসভাত আজি আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষিক দেশৰ অৰ্থনীতিৰ মেৰুদণ্ড আৰু কৃষকৰ কল্যাণ চৰকাৰৰ প্ৰাথমিকতা বুলি এই আলোচনাত উল্লেখ কৰে।

আলোচনাৰ আৰম্ভণিতে সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱে দেশৰ কৃষকসকলৰ দুৰ্দশাৰ ওপৰত আলোকপাত কৰে। কৃষকৰ প্ৰতি বিজেপিক সংবেদনহীন বুলি তেওঁ অভিযোগ উত্থাপন কৰে। শ্ৰীযাদৱে কয় যে কৃষকৰ আয় দুগুণ কৰাৰ বাবে বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি এতিয়াও পূৰণ হোৱা নাই। কংগ্ৰেছৰ জয়প্ৰকাশে কয় যে যোৱা ১০ বছৰত চাউল আৰু আটাত ন্যূনতম সমৰ্থন মূল্য মাত্ৰ এহেজাৰ টকাহে বৃদ্ধি কৰা হৈছে। কৃষকৰ ঋণসমূহ ৰেহাই দিবলৈ তেওঁ চৰকাৰক দাবী জনায়। ইউ পি এ চৰকাৰৰ সময়ত ৬০ হাজাৰ কোটি টকাৰ কৃষি ঋণ ৰেহাই দিয়া হৈছিল বুলিও শ্ৰীপ্ৰকাশে উল্লেখ কৰে। ইয়াৰ লগতে এন ডি এ চৰকাৰে কৃষকৰ বাবে গ্ৰহণ কৰা কল্যাণমূলক ব্যৱস্থাৰ বিষয়েও জানিবলৈ তেওঁ ইচ্ছা প্ৰকাশ কৰে। বিজেপিৰ দুষ্যন্ত সিঙে কয় যে কেন্দ্ৰীয় বাজেটত চৰকাৰে কৃষি আৰু কৃষক কল্যাণ খণ্ডৰ বাবে ১ লাখ ৩৭ হাজাৰ কোটি টকাৰ পুঁজি আবণ্টন দিছে। এয়া কেন্দ্ৰীয় বাজেটৰ প্ৰায় ২ দশমিক ৭ শতাংশ। ১০ হাজাৰ কোটি টকাৰো অধিক পুঁজি কৃষি খণ্ডৰ গৱেষণা আৰু উন্নয়নৰ বাবে আবণ্টন কৰা হৈছে বুলিও শ্ৰীসিঙে উল্লেখ কৰে। তেওঁ লগতে কয় যে চৰকাৰে কৃষকসকলক তেওঁলোকৰ শস্য বিক্ৰী কৰিবলৈ উন্নত মানৰ বীজ আৰু বজাৰৰ সুবিধা প্ৰদান কৰিছে।

০০০০০০০

দেশত প্ৰায় ১০ হাজাৰ জৈৱ প্ৰযুক্তি ষ্টাৰ্টআপে প্ৰায় ১৬৫ বিলিয়ন ডলাৰৰ জৈৱ অৰ্থব্যৱস্থালৈ বৰঙণি আগবঢ়াইছে। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি এই কথা প্ৰকাশ কৰে। ত্ৰয়োদশ জৈৱ প্ৰযুক্তি ঔদ্যোগিক গৱেষণা সহায়ক পৰিষদ, বি আই আৰ এ চিৰ প্ৰতিষ্ঠা দিৱসত

অংশগ্ৰহণ কৰি ড০ সিঙে কয় যে ভাৰতে বৰ্তমান মহাকাশ আৰু জৈৱপ্ৰযুক্তি ক্ষেত্ৰত উল্লেখনীয় সফলতা লাভ কৰা বাবে বিশ্বত স্বীকৃতি লাভ কৰিছে। মন্ত্ৰী ড০ সিঙে ভাৰত জৈৱ অৰ্থনীতিৰ প্ৰতিবেদন ২০২৫ আৰু জৈৱ প্ৰযুক্তি ষ্টাৰ্টআপৰ ক্ষেত্ৰত গোলকীয় মাৰ্গদৰ্শক পত্ৰিকা **জৈৱ সাৰথি** মুকলি কৰে। ভাৰত জৈৱ অৰ্থব্যৱস্থাৰ প্ৰতিবেদন জৈৱ প্ৰযুক্তি আৰু বি আই আৰ এ চিয়ে প্ৰকাশ কৰে।

০০০০০০০

চৰকাৰে গোলকীয় দক্ষিণ আৰু উত্তৰৰ ৩০খনতকৈও অধিক দেশৰ সৈতে কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰিছে। ৰাজ্যসভাত লিখিত উত্তৰত বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে শক্তিশালী দ্বিপাক্ষিক অংশীদাৰিত্বৰ উপৰিও চৰকাৰে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰিবলৈ বিভিন্ন বৈদেশিক নীতি গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত প্ৰতিবেশী প্ৰথম নীতি, এক্ট ইষ্ট পলিচী অন্যতম। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বজাৰ প্ৰৱেশৰ পৰিসৰ বৃদ্ধিৰ জৰিয়তে দ্বিপাক্ষিক বাণিজ্য বৃদ্ধি কৰাৰ লক্ষ্যৰে মূলতঃ মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰাৰ ক্ষেত্ৰতো চৰকাৰে বিবেচনাপূৰ্ণ পন্থা গ্ৰহণ কৰিছে। শ্ৰীমাৰ্ঘেৰিটাই কয় যে ২০৪৭ৰ বিকশিত ভাৰতৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি সমগ্ৰ বিশ্বত বসবাস কৰা ভাৰতীয়সকলৰ মংগল আৰু প্ৰগতি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আৰু জাতীয় স্বাৰ্থক সুৰক্ষিত কৰাত ভাৰতৰ বৈদেশিক নীতিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

০০০০০০০

যোৱা ৫ ফেব্ৰুৱাৰীত অমৃতসৰত উপস্থিত হোৱা আমেৰিকাৰ পৰা ভাৰতলৈ বিতাড়িত ভাৰতীয়সকলৰ ক্ষেত্ৰত আমেৰিকা প্ৰশাসনে কৰা ব্যৱহাৰ সন্দৰ্ভত ভাৰতে আমেৰিকান কৰ্তৃপক্ষৰ আগত নিজৰ উদ্বেগ প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে এইদৰে কয়। তেওঁ কয় যে নতুন দিল্লী প্ৰশাসনে ভাৰতীয়সকলক বিতাড়নৰ সময়ত মানৱীয় ব্যৱহাৰ সুনিশ্চিত কৰা সন্দৰ্ভত ৱাশ্বিংটন কৰ্তৃপক্ষৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। মন্ত্ৰী শ্ৰীসিঙে এই কথাও স্পষ্ট কৰি দিয়ে যে ভাৰতীয় নাগৰিকসকলক দেশলৈ বিতাড়ন কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ খৰচ বহন কৰা নাই। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীৰ শেহতীয়া আমেৰিকা ভ্ৰমণ কালত অবৈধ অনুপ্ৰবেশ সন্দৰ্ভত আমেৰিকাৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা হৈছিল বুলিও মন্ত্ৰী শ্ৰীসিঙে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ভাৰতে অবৈধ অনুপ্ৰবেশৰ বিৰোধিতা কৰাৰ লগতে বিতাড়নৰ ক্ষেত্ৰত মানৱীয় ব্যৱহাৰৰ পোষকতা কৰে। শ্ৰীসিঙে অবৈধ অনুপ্ৰবেশ আৰু মানৱ সৰবৰাহৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত দুয়ো পক্ষৰ সহযোগিতা আহ্বান কৰাৰ লগতে অবৈধ অনুপ্ৰৱেশ নেটৱৰ্ক আৰু অপৰাধীক সুবিধা প্ৰদান কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত আলোকপাত কৰে।

অন্য এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীসিঙে প্ৰকাশ কৰে যে ২০২৫ চনৰ জানুৱাৰীলৈকে ৩৮৮জন ভাৰতীয় নাগৰিক আমেৰিকাৰ পৰা ভাৰতলৈ বিতাড়িত হৈছে। তেওঁ লগতে কয় যে ২০০৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ১৫ হাজাৰতকৈও অধিক ভাৰতীয় নাগৰিকক আমেৰিকাৰ পৰা বিতাড়ন কৰা হৈছে।

০০০০০০০

ইউক্ৰেইন-ৰাছিয়া সংঘাত সন্দৰ্ভত ভাৰতৰ স্থিতি সকলোৰে অৱগত বুলি আজি এটা চৰকাৰী সূত্ৰই প্ৰকাশ কৰে। সূত্ৰটোত আৰু কোৱা হৈছে যে, ভাৰতে সদায় দুয়োপক্ষ আৰু অন্যান্য মূল অংশীদাৰসকলৰ মাজত আলোচনা আৰু কূটনীতিৰ জৰিয়তে আন্তৰিক যোগাযোগৰ পোষকতা কৰি আহিছে যাতে সংঘাতৰ স্থায়ী সমাধান উলিয়াব পাৰি।

আজি সন্ধিয়া নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত  এম ই এৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে, সংঘাতত লিপ্ত দুয়োপক্ষ আৰু অন্যান্য অংশীদাৰীসকলৰ  সৈতে ভাৰতৰ আলোচনা অব্যাহত আছে। ভাৰত-ইউৰোপীয় সংঘৰ সহযোগিতাৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীজয়ছৱালে কয় যে ইউৰোপীয় সংঘৰ অধ্যক্ষই যোৱা মাহত ভাৰত ভ্ৰমণ কৰিছিল। তেওঁ কয় যে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সহযোগিতা বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু এইক্ষেত্ৰত ভাৰতৰ অংশীদাৰিত্ব বৃদ্ধি পাইছে  মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতে নিজৰ প্ৰতিৰক্ষা ৰপ্তানিৰ ক্ষেত্ৰত আৰু অধিক গতি প্ৰদান কৰিব বিচাৰে আৰু ইউৰোপীয় সংঘ আৰু ইউৰোপৰ দেশসমূহৰ সৈতেও এই ক্ষেত্ৰত অধিক কাম কৰিবলৈ  ভাৰত সমৰ্থবান হ'ব বুলি আশা প্ৰকাশ কৰে।

ভাৰত-চীনৰ আলোচনা সন্দৰ্ভত জয়ছৱালে কয় যে কাজানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙৰ মাজত হোৱা বৈঠকৰ পিছৰে পৰা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু বৈদেশিক সচিব পৰ্যায়ত দুয়োপক্ষৰ গঠনমূলক আলোচনা অব্যাহত আছে ।

0000000

সমাপ্ত